# REGIONAL NEWS UNIT

## AKASHVANI, GUWAHATI

0000000000

**Date :** 09-08-2025 **Time :** 0900 Hrs

***Assamese Morning Bulletin***

## Headlines

১। ৰাজ্যৰ বিদ্ৰোহী সংগঠনসমূহৰ সৈতে হোৱা শান্তি চুক্তিমৰ্মে চাৰি হাজাৰ কোটি টকাৰ বিশেষ উন্নয়ন পেকেজত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ অনুমোদন।

২। নামনি সোৱণশিৰি জলবিদ্যুত প্ৰকল্পকে ধৰি দেশৰ মুঠ ৪৬ টা প্ৰকল্প অসুৰক্ষিত আৰু বিপজ্জনক বুলি কেন্দ্ৰীয মন্ত্ৰী শ্ৰীপদ নায়কৰ প্ৰকাশ।

৩। উৰিয়ামঘাটৰ উচ্ছেদৰ পৰৱৰ্তি পদক্ষেপ হিচাপে সোণাৰী বিলত গছপুলি ৰোপণ কাৰ্যসূচীৰ আয়োজন।

৪। সাংবাদিক কমলা শইকীয়া স্মাৰক ন্যাসৰ উদ্যোগত গুৱাহাটীত আজি সাংবাদিক কমলা শইকীয়া স্মাৰক বক্তৃতা আৰু সম্বৰ্ধনা অনুষ্ঠান। *আৰু*

৫। ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ গ্ৰুপ ইৰ এখন খেলত নৰ্থ-ইষ্ট ইউনাইটেড এফ চিৰ শ্বিলং লাজঙক ২-১ৰ ব্যাৱধানত পৰাস্ত।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰীসভাই অসম আৰু ত্ৰিপুৰাৰ উন্নয়নৰ লক্ষ্যৰে বিশেষ পেকেজৰ অধীনত ৪ হেজাৰ ২৫০ কোটি টকা আৱণ্টনত অনুমোদন জনাইছে। ৰাজ্যৰ বিদ্ৰোহী সংগঠনসমূহৰ সৈতে হোৱা শান্তি চুক্তিমৰ্মে কেন্দ্ৰীয় চৰকাৰে অসমৰ বাবে চাৰি হাজাৰ কোটি টকাৰ বিশেষ উন্নয়ন পেকেজত অনুমোদন জনায়। ২০২৩ চনত আলফাৰ সৈতে হোৱা ত্ৰিপাক্ষিক চুক্তি অনুসৰি ৰাজ্যৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে তিনি হাজাৰ কোটি টকাত অনুমোদন জনোৱা হৈছে। একেদৰে বিদ্ৰোহী সংগঠন ডি এন এল এ আৰু ডিমাচা পিপলছ ছুপ্ৰিম কাউন্সিলৰ সৈতে হোৱা ত্ৰিপাক্ষিক চুক্তি অনুসৰি উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্বশাসিত পৰিষদৰ অন্তৰ্ভুক্ত অঞ্চলসমূহৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ৫০০ কোটি টকাৰ আৱণ্টনত মন্ত্ৰীসভাই অনুমোদন জনাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কালি অনুষ্ঠিত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকৰ পাছত তথ্য

আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে বৈঠকৰ সিদ্ধান্তসমূহৰ বিষয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰি এইদৰে কয়। ৰাজ্যখনৰ আদিবাসী বসতিপ্ৰধান গাওঁসমূহৰ উন্নয়নৰ বাবেও মন্ত্ৰীসভাই ৫০০ কোটি টকাৰ পেকেজ ঘোষণা কৰিছে। একেদৰে ত্ৰিপুৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে বিশেষ পুঁজিৰ অধীনত ২৫০ কোটি টকা আৱণ্টন দিছে।

কেন্দ্ৰীয় মন্ত্ৰীসভাই প্ৰধানমন্ত্ৰী উজলা যোজনাৰ হিতাধিকাৰীসকললৈ ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে ১২ হাজাৰ কোটি টকা ৰাজসাহায্য প্ৰদানত অনুমোদন জনাইছে। ইয়াৰ জৰিয়তে ১০ কোটি ৩৩ লাখৰো অধিক পৰিয়াল উপকৃত হব বুলি শ্ৰী বৈষ্ণৱে প্ৰকাশ কৰে।

ৰাজহুৱা খণ্ডৰ তেল কোম্পানীলৈ মন্ত্ৰীসভাই ৩০  হাজাৰ কোটি টকাৰ ক্ষতিপূৰণত অনুমোদন দিছে। ৩ টা ৰাজহুৱা খণ্ডৰ তৈল বিপনন কোম্পানী আই অ চি এল, বি পি চি এল আৰু এইচ পি চি এললৈ এই ধনৰাশি আৱণ্টন দিয়া হব। তদুপৰি কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰত বহুমুখী শিক্ষা আৰু গৱেষণা প্ৰক্ৰিয়া উন্নত কৰাৰ বাবে ৪ হাজাৰ ২০০ কোটি টকা আৱণ্টনতো কেন্দ্ৰীয় মন্ত্ৰীসভাই অনুমোদন জনায়।

0000

নামনি সোৱণশিৰি জলবিদ্যুত প্ৰকল্পকে ধৰি দেশৰ মুঠ ৪৬ টা প্ৰকল্প অসুৰক্ষিত তথা বিপজ্জনক বুলি শক্তি মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী শ্ৰীপদ নায়কে প্ৰকাশ কৰিছে। লোকসভাত কালি এটা প্ৰশ্নৰ উত্তৰত শ্ৰী নায়কে কেন্দ্ৰীয় বিদ্যুত প্ৰাধিকৰণৰ উদ্ধৃতিৰে কয়, যে সাগৰ পৃষ্ঠৰ পৰা এহেজাৰ ৫০০ মিটাৰ উচ্চতাত অৱস্থান কৰা যিকোনো অববাহিকাৰ প্ৰথম জলবিদ্যুত প্ৰকল্পক কেন্দ্ৰীয় বিদ্যুত প্ৰাধীকৰণে অসুৰক্ষিত বুলি বিবেচনা কৰাৰ লগতে ইয়াত সুৰক্ষামূলকভাৱে অতিৰিক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে এই প্ৰকল্পসমূহত আগতীয়া সকীয়নি তথা সতৰ্কতামূলক ব্যৱস্থা ৰূপায়ন কৰাটো বাধ্যতামূলক কৰা হৈছে আৰু এই সন্দৰ্ভত সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশনা প্ৰেৰণ কৰা হৈছে। উল্লেখযোগ্য যে অসুৰক্ষিত জলবিদ্যুত প্ৰকল্পৰ তালিকাত অৰুণাচল প্ৰদেশৰ ৪০৫ মেগাৱাটৰ নামনি পেনিয়ৰ আৰু ৬০০ মেগাৱাটৰ কামেং জলবিদ্যুত প্ৰকল্প আছে।

০০০০০

উৰিয়ামঘাটৰ উচ্ছেদৰ পৰৱৰ্তি পদক্ষেপ হিচাপে আজি সোণাৰী বিলত গছপুলি ৰোপণ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। সেউজ বনানিকৰণৰ জৰিয়তে বনাঞ্চলৰ ভূমি ৰক্ষা কৰাৰ উদ্দেশ্যে আয়োজন কৰা এই কাৰ্যসূচীত সকলোকে অংশগ্ৰহণ কৰিবলৈ ৰাজ্য চৰকাৰে আহ্বান জনাইছে।

ইপিনে গোলাঘাট জিলা প্ৰশাসন আৰু বন বিভাগে কালি মেৰাপানী সীমান্তৰ দৈয়াং বনাঞ্চলৰ ২ নম্বৰ নেঘেৰিবিলত অবৈধভাৱে বাস কৰা ২০৫ টা পৰিয়ালৰ ভিতৰত ১৪৬ টা পৰিয়ালক উচ্ছেদ কৰে। গোলাঘাট জিলাৰ আয়ুক্ত পুলক মহন্তৰ উপস্থিতিত অৰ্ধ শতাধিক এস্কেভেটৰ কেইবাশ বনকৰ্মী, আৰক্ষী আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সহযোগত এই উচ্ছেদ অভিযান চলোৱা হয়। পাছত নেঘেৰিবিলত ৰাজ্যৰ বিশেষ মুখ্য সচিব এম কে যাদৱে পৰিস্থিতিৰ পৰ্যালোচনা কৰে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত সচিবগৰাকীয়ে অঞ্চলটোত পুনৰ ১৬ আগষ্টৰ পৰা উচ্ছেদ চলিব বুলি প্ৰকাশ কৰে। তেওঁ লগতে উৰিয়ামঘাটতো ১৫ আগষ্টৰ পাছত পুনৰ উচ্ছেদ চলোৱা হ'ব বুলি জানিবলৈ দিয়ে। ইপিনে, নেঘেৰিবিলত উচ্ছেদিত ভূমিক নগা লোকে নিজৰ বুলি দাবী কৰা সন্দৰ্ভত শ্ৰী যাদৱে কয়, যে অসম আৰু নাগালেণ্ড চৰকাৰে বিষয়টো আলোচনা কৰি মীমাংসা কৰিব।

০০০০

প্ৰধামন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহৰ অসম ভ্ৰমণক লৈ ৰাজ্য চৰকাৰে বিভিন্ন পৰিকল্পনা গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সাংবাদিকৰ আগত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে গৃহমন্ত্ৰীগৰাকীয়ে অহা ২৯ আগষ্টত গুৱাহাটীত নৱনিৰ্মিত ৰাজভৱন উদ্বোধন কৰিব। শ্ৰী শ্বাহে এন ডি এৰ পঞ্চায়ত প্ৰতিনিধি সন্মিলনত অংশ লব। গৃহমন্ত্ৰীগৰাকীয়ে সেইদিনাই গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ৰাজ্য চৰকাৰে আয়োজন কৰা প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত গোলাপ বৰবৰাৰ জন্ম শতবাৰ্ষিকী উদযাপনৰ শুভাৰম্ভ অনুষ্ঠানত মুখ্য অতিথি হিচাপে ভাগ লব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। ড০ শৰ্মাই অহা ৮ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণ বিষয়েও প্ৰকাশ কৰে।

(বাইট – মুখ্যমন্ত্ৰী)

০০০০

সাংবাদিক কমলা শইকীয়া স্মাৰক ন্যাসৰ উদ্যোগত আজি গুৱাহাটীৰ উজান বজাৰৰ বিবেকানন্দ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত সাংবাদিক কমলা শইকীয়া স্মাৰক বক্তৃতা আৰু সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ন্যাসৰ উপ সভাপতি সঞ্জীৱ ফুকনে কয়, যে আজি কমলা শইকীয়া ৩৪ সংখ্যক মৃত্যু বাৰ্ষিকীত যশস্বী সাংবাদিক, লেখক, গৱেষক, মানৱাধিকাৰ প্ৰবক্তা সঞ্জয় হাজৰিকাই স্মাৰক বক্তৃতা প্ৰদান কৰিব। এই অনুষ্ঠানত প্ৰবীণ সাংবাদিক ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তী আৰু চিত্ৰশিল্পী, কাৰ্টুনিষ্ট চম্পক বৰবৰাক ন্যাসৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হ'ব। উল্লেখযোগ্য যে, সাংবাদিক কমলা শইকীয়া স্মাৰক ন্যাসৰ উদ্যোগত আৰু গুৱাহাটী প্ৰেছ ক্লাবৰ

সহযোগত ২০০২ চনৰ পৰা প্ৰতি বছৰে আজিৰ এই দিনটোতে অসমৰ প্ৰথমজন শ্বহীদ সাংবাদিক, মুক্তিযোদ্ধা, সমাজকৰ্মী কমলা শইকীয়াৰ স্মৃতিত স্মাৰক বক্তৃতানুষ্ঠানৰ আয়োজন কৰি আহিছে।

০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে কালি পদ প্ৰাদেশিকীকৰণ হোৱা স্বত্বেও নিয়মীয়া দৰমহা লাভৰ পৰা বঞ্চিত বিভিন্ন পৰ্যায়ৰ শিক্ষানুষ্ঠানৰ অনাশৈক্ষিক পদত কৰ্মৰত লোকসকলক স্কেল অনুযায়ী দৰমহা দিবলৈ নিৰ্দেশ জাৰি কৰিছে। মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ আৰু অৰুণ দেৱ চৌধুৰীৰ খণ্ড বিচাৰপীঠে এখন লেখ আৱেদনৰ শুনানিৰ অন্তত জাৰি কৰা নিৰ্দেশটোত অনাশৈক্ষিক পদবোৰৰ ভিতৰত জ্যেষ্ঠ সহায়ক, পুথিভঁৰাল সহায়ক আৰু চতুৰ্থবৰ্গৰ কৰ্মচাৰীসকলক  সামৰি লৈছে। এইসকল কৰ্মচাৰী বিভিন্ন মহাবিদ্যালয়, উচ্চতৰ মাধ্যমিক বিদ্যালয়, চিনিয়ৰ চেকেণ্ডেৰী স্কুল আৰু হাইস্কুলত কৰ্মৰত হৈ আছে। উল্লেখযোগ্য যে, ২০১৮ চনত অসম চৰকাৰে পদ প্ৰাদেশিকীকৰণ আইনখনত অনাশৈক্ষিক পদত কৰ্মৰতসকলৰ চাকৰি নিয়মীয়া নকৰি তেওঁলোকক স্থায়ী দৰমহা শিতানত অন্তৰ্ভুক্ত কৰিছিল। কালি জাৰি কৰা এই নিৰ্দেশটোত ন্যায়ালয়ে কয়, যে কৰ্মচাৰীসকলৰ দৰমহাৰ গাঁথনি কিমান হ'ব সেয়া শিক্ষা বিভাগে নিৰ্ধাৰণ কৰিব। ন্যায়ালয়ৰ এই নিৰ্দেশৰ জাননী বিভাগৰ হাতত পৰাৰ ৮ সপ্তাহৰ ভিতৰতে এই কাম কৰিব লাগিব বুলি নিৰ্দেশনাত উল্লেখ কৰা হৈছে।

০০০০

গুৱাহাটীত আজিৰে পৰা ২১ আগষ্টলৈ  উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগৰ প্ৰদৰ্শনী অনুষ্ঠিত হব। এই অনুষ্ঠানত হস্ত নিৰ্মিত শিল্প কৰ্ম, জনগোষ্ঠীয় বস্ত্ৰশিল্প, জৈৱিকভাৱে উৎপাদিত সামগ্ৰী প্ৰদৰ্শন আৰু মত বিনিময় কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। কালি ভাৰতীয় ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগৰ প্ৰসাৰ আয়োগৰ উত্তৰ পূৱ মণ্ডলৰ এটা প্ৰতিনিধি দলে কৃষি মন্ত্ৰী অতুল বৰাক সাক্ষাৎ কৰি এই প্ৰদৰ্শনী সন্দৰ্ভত আনুষ্ঠানিকভাৱে অৱগত কৰে। মন্ত্ৰীগৰাকীয়ে এই সন্দৰ্ভত কয় যে এই পদক্ষেপে নতুন উদ্যমীসকলক উদ্যোগ খণ্ডলৈ অধিক আকৰ্ষিত কৰিব বুলি আশা কৰিব পাৰি। তেওঁ অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগখণ্ডক শক্তিশালী কৰিব পৰা এই পদক্ষেপৰ বাবে আয়োগৰ দলটোক ধন্যবাদ জ্ঞাপন কৰে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে কেইবাটাও বিশেষ অনুষ্ঠান প্ৰচাৰৰ দিহা কৰিছে। এনে অনুষ্ঠানসূচীৰ অংশ হিচাপে আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত স্বাধীনতা সংগ্ৰামত অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ভূমিকা শীৰ্ষক এটা বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। এই আলোচনাত কেন্দ্ৰীয় চৰকাৰৰ প্ৰকাশন বিভাগে প্ৰকাশ কৰা বহু সমাদৃত ইংৰাজী গ্ৰন্থ –Untold Stories of the Freedom struggle from North East India ৰ ৰচক তথা বিশিষ্ট সাংবাদিক, নাগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য্য ড° সমুদ্ৰ গুপ্ত কাশ্যপ আৰু আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ জ্যেষ্ঠ বাতৰি পৰিবেশিকা অৰুণিমা গোস্বামীয়ে অংশগ্ৰহণ কৰিব। আকাশবাণী গুৱাহাটীৰ মহাবাহু চেনেলযোগে প্ৰচাৰিত হ'বলগীয়া এই অনুষ্ঠানত আগ্ৰহী শ্ৰোতাই ফোনযোগে অংশগ্ৰহণ কৰিব পাৰিব। ফোন নম্বৰ দুটা হৈছে- 0361-2661876, 2662325।

০০০০

৭৯ সংখ্যক স্বাধীনতা দিৱস উদযাপনৰ প্ৰস্তুতি সন্দৰ্ভত কামৰূৰ মহানগৰ জিলা আয়ুক্ত সুমিত ছাত্তাৱানৰ সভাপতিত্বত খানাপাৰাৰ পশু চিকিতসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত কালি এখন সভা অনুষ্ঠিত হয়। সভাত আৰক্ষী বিষয়া, সামৰিক আৰু অৰ্ধসামৰিক বাহনীৰ বিষয়াকে ধৰি বিভিন্ন বিভাগৰ বিষয়াসকলে স্বাধীনতা দিৱস উদযাপনৰ প্ৰস্তুতিৰ বিষয়ে আলোচনা কৰে।

ইপিনে কামৰূপ জিলা প্ৰশানে স্বাধীনতা দিৱসৰ পূৰ্ণ প্ৰস্তুতি গ্ৰহণ কৰিছে। আমিনগাঁৱৰ ৰেলৱে খেলপথাৰত হবলগীয়া স্বাধীনতা দিৱসৰ পেৰেডত অসম আৰক্ষীৰ তিনিশ জোৱানৰ উপৰি জিলাখনৰ ভালেকেইখন বিদ্যালয়ৰ শিক্ষাৰ্থী তথা ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ কেডাৰসকলে অংশগ্ৰহণ কৰিব।

০০০০

ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ শ্বিলঙৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ ইৰ এখন খেলত কালি নৰ্থ-ইষ্ট ইউনাইটেড এফ চিয়ে শ্বিলং লাজং দলক ২-১ৰ ব্যাৱধানত পৰাস্ত কৰে। খেলখনৰ প্ৰথমাৰ্ধতে নৰ্থ-ইষ্ট ইউনাইটেড এফ চিয়ে ১-০ৰ অগ্ৰগতি লাভ কৰে। ইয়াৰ পাছত খেলৰ দ্বিতীয়াৰ্ধত শ্বিলং লাজঙে ৮১ মিনিটত এটা গল দি সমতা স্থাপন কৰে। যদিও ইয়াৰ খন্তেক পাছতে নৰ্থ-ইষ্ট ইউনাইটেডৰ ফৰৱাৰ্ড খেলুৱৈ আলাদ্দিন আজাৰিয়ে আন এটা গল দি দলটোক জয়ৰ দিশে লৈ যায়। এই জয়ৰ সুবাদত নৰ্থ-ইষ্ট ইউনাইটেড এফ চি প্ৰতিযোগিতাৰ গ্ৰুপ-ইৰ শীৰ্ষ স্থানত আছে।

০০০০

## News Papew Review 09-08-2025 0900 hrs

হিন্দু বাংলাদেশীৰ নাগৰিকত্ব গোচৰ প্ৰত্যাহাৰৰ নিৰ্দেশৰ বিৰুদ্ধে কালি কেইবাটাও দল-সংগঠনে প্ৰতিবাদ কৰাৰ বাতৰিক অসমীয়া **প্ৰতিদিন কাকতে** মুখ্য বাতৰিৰ স্থান দিছে।

ভাৰত আৰু ৰাছিয়াৰ মাজৰ সম্পৰ্ক অধিক গভীৰ কৰাৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনৰ সৈতে টেলিফোনিক বাৰ্তালাপ কৰে। **দি আছাম ট্ৰিবিউন** কাকতে এই বাতৰিক শীৰ্ষস্থান দিয়াৰ লগতে **দ্য চেন্টিনেল** কাকতেও প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

দেশৰ নিৰ্বাচন আয়োগে ৰাজ্যত ভোটাৰ কাৰ্ড পৰীক্ষণ প্ৰক্ৰিয়াৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। প্ৰতিখন জিলাৰ নিৰ্বাচনী বিষয়াক সাজু হবৰ বাবেও নিৰ্দেশ দিয়া হৈছে। **আমাৰ অসম** কাকতৰ এই বাতৰিৰ শিৰোনাম- **ছাৰ আহি আছে, অসমতো জাননী জাৰি।**

**দ্য টাইমচ অব ইণ্ডিয়া** কাকতে অসম আৰু ত্ৰিপুৰাৰ আন্তঃগাথনি উন্নয়নৰ বাবে কেন্দ্ৰই ৪ হাজাৰ ২৫০ কোটি টকাৰ পেকেজ ঘোষণা কৰাৰ বাতৰি প্ৰকাশ কৰিছে।

শিৱসাগৰত অনুষ্ঠিত চিন্তন বৈঠকৰ সিদ্ধান্ত অনুসৰি ১৫ আগষ্টৰ পূৰ্বে সন্দেহযুক্ত বাংলাদেশীক উজনি অসম এৰাৰ নিৰ্দেশ দিয়াৰ বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটা বাতৰিৰে **দৈনিক অগ্ৰদূত** কাকতৰ শিৰোনাম ১৫ আগষ্টৰ ভিতৰত পূৱ অসম ত্যাগৰ সকীয়নী।

**দৈনিক অসম** কাকতে লাচিত সেনাই দলৰ মুখ্য সচিব শৃংখল চলিহাক ৮ ছেপ্তেম্বৰলৈ বিশ্ৰাম দিয়াৰ বাতৰি প্ৰকাশ কৰিছে।

দূৰ্গা পূজাৰ পূৰ্বে চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধি হোৱাৰ লগতে ২০% বোনাছ লাভ কৰাৰ বাতৰি **দৈনিক জনমভূমি** কাকতে প্ৰকাশ কৰিছে। নেঘেৰিবিলত কালি ১৪৬টা পৰিয়ালৰ ঘৰ উচ্ছেদ কৰাৰ লগতে ৫০ হেক্টৰ ভূমি মুকলি কৰাৰ বাতৰিক **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগৰি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ঘাইকৈ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে।

**আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্ছ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।**

এইসময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেযে বিজুলী-ঢেৰেকণিৰে বৰযুণহোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞানকেন্দ্ৰই আগলি বতৰা দিছে।

০০০০

***সমাপ্ত***